# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-05-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

১। ৰে'ল আন্তঃগাঁথনি সম্প্ৰসাৰণৰ কেইবাটাও পদক্ষেপ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে আলোচনা।

২। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান পলাশবাৰী-শুৱালকুছি সংযোগী দলং নিৰ্মাণৰ কাম অহা ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি নিৰ্মাণকাৰী সংস্থাৰ প্ৰকাশ।

৩। ওদালগুৰি জিলাত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ সফল ৰূপায়ণ সন্দৰ্ভত মন্ত্ৰী পীযূষ হাজৰিকাৰ বিশেষ বৈঠক।

৪। কটন কলেজৰ ১২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বিশেষ অনুষ্ঠানৰ আয়োজন। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত তথ্য আৰু সম্প্ৰচাৰ , বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাত কৰি অসমৰ ৰেল আন্তঃগাথনি সম্প্ৰসাৰণৰ কেইবাটাও পদক্ষেপ সম্পৰ্কে বিস্তৃভাৱে আলোচনা কৰে। এই আলোচনাকালত ৰাজ্যখনলৈ সামগ্ৰী পৰিবহনৰ সমস্যা লাঘব কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থায়ো স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনক পৰিবহনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত পৰিকল্পনা গ্ৰহণেৰে কাম কৰি যাবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আন্তঃগাথনিমূলক প্ৰকল্প সম্পৰ্কেও আলোচনা কৰে। ড০ শৰ্মাই ৰাজ্যখনৰ খনিজ সম্পদৰ উচিত ব্যৱহাৰ আৰু এই খণ্ডত সহযোগিতা বৃদ্ধিৰে শক্তিশালী কৰি তোলাৰ বাবে আজি নতুন দিল্লীত কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত স্থাপন হবলগীয়া তাপ বিদ্যুত কেন্দ্ৰসমূহৰ বাবে নিৰৱচ্চিন্নভাৱে কয়লাৰ সৰবৰাহ কৰিবলৈ অনুৰোধ জনায়। তেওঁ লগতে মাৰ্ঘেৰিটা কয়লা খনিৰ কাম-কাজৰ সম্প্ৰসাৰণ সন্দৰ্ভতো মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। তদুপৰি নতুন খনিজ পদাৰ্থ খনন সম্পৰ্কীয় বৈঠকত আলোচনা কৰা হয়।

০০০০

ব্ৰহ্মপুত্ৰ নদৰ ওপৰত নিৰ্মীয়মান পলাশবাৰী - শুৱালকুছি সংযোগী দলং নিৰ্মাণৰ কাম অহা ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। দলং নিৰ্মাণৰ দায়িত্বত থকা এল এণ্ড টি সংস্থাই আজি এখন সংবাদমেলৰ জৰিয়তে এই কথা প্ৰকাশ কৰে। এই দলংখন উত্তৰ পূৰ্বৰ ভিতৰতে অত্যাধুনিক দলং হব বুলি সংস্থাটোৱে উল্লেখ কৰে। প্ৰায় ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত দলংখনৰ দুয়োকাষে ফুটপথ আৰু চাইকেল চলাব পৰাকৈ বিশেষ সুবিধা থাকিব। বৰ্তমান নিৰ্মাণৰ কাম চলি থকাৰ বাবে সাধাৰণ লোক তথা মাছমৰিয়াসকলৰ সুৰক্ষাৰ বাবে হালধীয়া আৰু ৰঙা ৰঙৰ সংকেত দিয়া হৈছে বুলি সংস্থাটোৰ বিষয়াই জানিবলৈ দিয়ে।

বাইট

০০০০

ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাই আজি জিলাখন ভ্ৰমণৰ দ্বিতীয় দিনা তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ সফল ৰূপায়ন নিশ্চিত কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত অংশ লয়। এই বৈঠকত মন্ত্ৰীগৰাকীয়ে যাতে যোগ্য হিতাধিকাৰী আঁচনিৰ সুবিধাৰ লাভৰ পৰা বঞ্চিত নহয় এই ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ সকলোকে আহ্বান জনায়। অসম চৰকাৰৰ এই অভিলাষী আঁচনিৰ দ্বাৰা মহিলা সবলীকৰণ , দৰিদ্ৰতা দূৰীকৰণ আৰু আৰ্থিক সবলীকৰণৰ বাবে প্ৰয়াস কৰা হৈছে বুলি উল্লেখ মন্ত্ৰীগৰাকীয়ে সমাজৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। আজিৰ সভাত জিলাখনৰ পৰা শিল্পী পেন্সন আৰু বাৰ্ষিক শিল্পী সন্মান লাভ কৰা ছগৰাকী ব্যক্তিক মন্ত্ৰী হাজৰিকাই প্ৰমাণপত্ৰ বিতৰণ কৰে। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা প্ৰতিটো বিধান সভা সমষ্টিৰ এটাকৈ পঞ্জীয়নভুক্ত যুৱ সংঘক আৰ্থিক অনুদান প্ৰদানৰ বাবে লোৱা লক্ষ্য অনুসৰি জিলাখনৰ চাৰিটা সংঘৰ প্ৰতিনিধিক আজিৰ অনুষ্ঠানত চেক বিতৰণ কৰা হয়। এই সভাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী , সাংসদ দিলীপ শইকীয়া, কেইবাগৰাকীও বিধায়ক আৰু অন্য ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজ্যৰ আদৰ্শ বিদ্যালয়সমূহৰ অধ্যক্ষ তথা শিক্ষক শিক্ষয়িত্ৰীসকলৰ বাবে বিদ্যালয় প্ৰশাসন আৰু বিত্তীয় ব্যৱস্থাপনা সন্দৰ্ভত কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ডাঃ পেগুৱে কয় যে , এই কাৰ্যসূচীয়ে বিত্তীয় সম্পদ ব্যৱস্থাপনা, সাংগঠনিক দক্ষতা , পৰিকল্পনা প্ৰস্তুতকে ধৰি বিদ্যালয় পৰিচালনাৰ দিশত প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতাৰে শিক্ষক-শিক্ষয়িত্ৰীসকলক সমৃদ্ধ কৰিব। তদুপৰি আদৰ্শ বিদ্যালয়সমূহৰ সামগ্ৰিক কাৰ্যক্ষমতা বৃদ্ধিতো এই কাৰ্যসূচীয়ে অৰিহণা যোগাব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, আদৰ্শ বিদ্যালয়

**সংগঠনৰ অধ্যক্ষ, অধ্যাপক, ননীগোপাল মহন্ত আৰু অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন উপস্থিত থাকে। এই অনুষ্ঠানত বিগত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব লাভ কৰা শ্ৰেষ্ঠ আদৰ্শ বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।**

০০০০

কৃষি আৰু কৃষক কল্যান মন্ত্ৰালয়ে অহা ২৯ মে'ৰ পৰা ১২ জুনলৈ সমগ্ৰ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে- কৃষকৰ মাজত অঞ্চলভিত্তিক বহনক্ষম প্ৰযুক্তিৰ বিষয়ে অৱগত কৰা, সাৰ ব্যৱহাৰৰ বাবে ভূমি স্বাস্থ্য সন্দৰ্ভত আলোচনা, চৰকাৰী আঁচনি আৰু নীতি সম্পৰ্কে তথ্য প্ৰচাৰ আৰু ভৱিষ্যত গৱেষণা তথা উদ্ভাৱনৰ বাবে কৃষকৰ পৰা মতামত সংগ্ৰহ কৰা। এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২ টা স্থানৰ সকলো গাওঁ পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হৈছে। ধেমাজিৰ বাটঘৰীয়া গাওঁ পঞ্চায়তত পৰহিলৈ এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ড০ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

যোৰহাট জিলাত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযান সফলভাৱে ৰূপায়ণৰ বাবে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী, জিলা কৃষি বিষয়া, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ প্ৰতিনিধিকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০

কটন কলেজৰ ১২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শান্তিশ্ৰী ধুলিপুডী পণ্ডিত, সাংসদ বিজুলী কলিতা মেধি, অসম চৰকাৰৰ মহাধিবক্তা তথা বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শিক্ষামন্ত্ৰী ডা০ পেগুৱে কয়, যে কটন মহাবিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰত যি দীঘলীয়া গৌৰৱময় ঐতিহ্য গঢ়ি তুলিছে সেয়া অসমৰে নহয়। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জ্ঞান সাধনৰ দিশত আলোকস্তম্ভ স্বৰূপ। এই গৰিমামণ্ডিত ঐতিহ্য প্ৰতিটো প্ৰজন্মৰ অবিৰত প্ৰচেষ্টা আৰু নিষ্ঠাৰ জৰিয়তে আগলৈও অক্ষুণ্ণ থাকিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি প্ৰাক্তন কটনিয়ানৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হয়। কটন এলমনাই ভৱনত আয়োজিত এই অনুষ্ঠানত শতায়ু গৰকা প্ৰাক্তন কটনিয়ান ডাঃ চিৰাজুল হক, সত্যকৃষ্ণ মিশ্ৰ আৰু ৯০ বছৰৰ ঊৰ্ধৰ প্ৰফুল্ল গোবিন্দ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড০ দয়ানন্দ পাঠকে প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত প্ৰাক্তন কটনিয়ান শিল্পীসকলে সংগীত পৰিৱেশন কৰে। এই অনুষ্ঠানত সকলো প্ৰাক্তন কটনিয়ানৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

০০০০

**গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্ৰীমতী শ্বামিমা জাহানে কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ ৰূপে শপতগ্ৰহণ কৰিব। কাইলৈ দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে শ্ৰীমতী জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱাব।**

০০০০

গুৱাহাটীৰ চানমাৰী আৰক্ষীয়ে মহানগৰীখনৰ বিভিন্ন ডেম্পৰ পৰা যোৱা কেইদিনত প্ৰায় ১০ কোটি টকা মূল্যৰ কেইবা কুইণ্টল চুৰি ধাতবীয় সামগ্ৰী উদ্ধাৰ কৰিছে। উদ্ধাৰ কৰা সামগ্ৰীসমূহৰ ভিতৰত মটৰ গাড়ীৰ অংশ থকা ৫০ কেজি ওজনৰ এশটা বেগ, কাহ পিতলৰ সামগ্ৰীৰ ২ হেজাৰ কেজি ওজনৰ বস্তা, পূজা সামগ্ৰী, তামৰ তাঁৰ, লোহা আৰু এলুমিনিয়ামৰ নিৰ্মাণ সামগ্ৰী আদিও আছে। চানমাৰীৰ উপ আৰক্ষী আয়ুক্তগৰাকীয়ে জনোৱা মতে, বিকাশ জৈন নামৰ এজন লোকৰ এজাহাৰৰ ভিত্তিত আৰক্ষীৰ দলে আজি গীতানগৰৰ এটা ডেম্পত তালাচী চলাই নুৰ আলম নামৰ ডেম্পৰ গৰাকীজনক চুৰি সামগ্ৰীসহ গ্ৰেপ্তাৰ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে বিনোদ ৰায় নামৰ আন এজন বৃহৎ ডেম্পৰ গৰাকীক মালিগাওঁৰ পৰা আটক কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে চুৰি সামগ্ৰীসমূহ প্ৰথমে সৰু ডেম্পত বিক্ৰী কৰা হয় আৰু পাছত মহানগৰীৰ বৃহৎ ডেম্পে এই সামগ্ৰীসমূহ গলাই বিভিন্ন আকৃতিত দিল্লী আৰু ৰাজ্যৰ বাহিৰৰ আন উদ্যোগলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে এই চুৰি সামগ্ৰীৰ সৰবৰাহৰ চক্ৰটোৰ বিৰুদ্ধে তীব্ৰ অভিযান আৰম্ভ কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০

কাছাৰ জিলা ছেছন ন্যায়াধীশৰ আদালতে আজি ধৰ্ষণৰ গোচৰত অভিযুক্ত মাতাব উদ্দিন লস্কৰ নামৰ এজন ব্যক্তিক ১০ বছৰ সশ্ৰম কাৰাদণ্ডৰ নিৰ্দেশ দিছে। ন্যায়াধীশ বিপ্ৰজিৎ ৰায়ৰ আদালতে কাৰাদণ্ডৰ নিৰ্দেশ দিয়াৰ লগতে দোষীক ৫ হাজাৰ টকাৰ জৰিমনাও বিহিছে। উল্লেখযোগ্য যে ২০২৪ চনৰ ৭ মে'ত মাতাব উদ্দিন লস্কৰে ধনেহৰি অঞ্চলৰ এগৰাকী মহিলাক ধৰ্ষণ কৰাৰ গোচৰ ৰুজু হৈছিল।

০০০০

**বিশ্ববিদ্যালয় অনুদান আয়োগে মৰিগাওঁ মহাবিদ্যালয়ক স্বায়ত্ত শাসিত মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ যুটীয়া সচিব মনোজ কুমাৰে এই সন্দৰ্ভত গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগলৈ নিৰ্দেশনা জাৰি কৰিছে। কলা-বিজ্ঞান আৰু বাণিজ্য শাখাৰ মুঠ ১৯ টা বিষয়ৰ উপৰি কেইবাটাও বিষয় স্নাতকোত্তৰ পাঠ্যক্ৰম থকা মৰিগাওঁ মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰাক লৈ জনসাধাৰণে আনন্দ প্ৰকাশ কৰিছে।**

০০০০

**বাণিজ্যিক বাহনৰ চলাচল আৰু পাৰ্কিঙৰ নিয়ম উলংঘাকাৰীৰ বিৰুদ্ধে আজি মৰিগাওঁ জিলা প্ৰশাসন আৰু আৰক্ষীয়ে যৌথভাৱে অভিযান চলায়। এই অভিযানৰ সময়ত বহু বাহনে**

২০২৪ চনৰ ১৫ নৱেম্বৰত মৰিগাওঁ জিলা আয়ুক্তই জাৰি কৰা এচ. অ. পি. উলংঘা কৰা পৰিলক্ষিত হয়। প্ৰশাসনে এনে  বাহনৰ বিৰুদ্ধে যাৱতীয়  ব্যৱস্থা গ্ৰহণ কৰিব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

অভিযানকাৰী দলে জনসাধাৰণৰ জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই পথৰ দাতিত বিপদজনকভাৱে ৰখাই থোৱা কেইবাখনো বাণিজ্যিক বাহনক জৰিমনা বিহে।

০০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁৱৰ আৰক্ষী চাউনিৰ কাষত নিৰ্মাণ কৰি উলিওৱা সংহত জিলা কাৰাগাৰ আজি মন্ত্ৰী ৰূপেশ গোৱালাই পৰিদৰ্শন কৰে। আধুনিক সা-সুবিধাযুক্ত এই জিলা কাৰাগাৰ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এই কাৰাগাৰখন উত্তৰ পূৱৰ ভিতৰতে উন্নত মানৰ কৰি গঢ়ি  তোলা হৈছে বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। প্ৰায় ৭৫ কোটি ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই কাৰাগাৰখন অহা ২১ জুনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰাৰ কথা। চিদলিৰ বিধায়ক নিৰ্মল কুমাৰ  ব্ৰহ্ম  , বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়কে ধৰি কেইবাগৰাকী বিষয়া মন্ত্ৰীগৰাকীক এই ভ্ৰমণকালত সংগ দিয়ে।

০০০০

খনি আৰু খনিজ সম্পদ আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি কাছাৰ জিলাৰ কাটিগড়া আৰু শিলচৰত বিভিন্ন উন্নয়নমূলক কামৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কাটিগড়াৰ নিৰ্মীয়মান দলং পৰিদৰ্শন কৰি সাংবাদিকৰ আগত কয়, যে ২৯ মে'ৰ পৰা জনসাধাৰণৰ বাবে বিকল্প যাতায়াত হিচাপে বিনামূলীয়া ফেৰী সেৱা আৰম্ভ কৰা হ'ব। ইয়াৰ পাছত তেওঁ শিলচৰৰ শ্ৰীকোনাত নিৰ্মীয়মান সচিবালয় পৰিদৰ্শন কৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। শ্ৰীৰায়ে ইয়াৰ পাছত শিলচৰ অসামৰিক চিকিৎসালয়ৰ ৫০০ বিছনাযুক্ত নতুন হাস্পতাল ভৱনৰ আন্তঃগাঁথনি আৰু সেৱাৰ মান পৰ্যালোচনা কৰে।

০০০০

দেশ তথা ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাতো আজি ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যু তিথি পালন কৰা হয়। গোৱালপাৰা জিলা কংগ্ৰেছৰ উদ্যোগত আয়োজিত অনুষ্ঠানটোত পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে বন্তি প্ৰজ্বলন, স্মৃতিচাৰণ সভা আদি অনুষ্ঠিত কৰা হয়।

০০০০

চৰাইদেউ জিলাৰ সোণাৰি বিধান সভা সমষ্টিৰ ১৮৮ গৰাকী ৰোগীৰ মাজত আজি মুখ্যমন্ত্ৰী চিকিৎসা সাহায্য পুঁজিৰ অধীনত আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ বাসগৃহত

আয়োজিত এটা অনুষ্ঠানত এই চেকসমূহ প্ৰদান কৰা হয়। এই কাৰ্যসূচীত চৰাইদেউ জিলা বিজেপিৰ সভানেত্ৰী নিতুমণি প্ৰধানৰ লগতে আন বহু দলীয় নেতা-কৰ্মী আৰু স্থানীয় লোক উপস্থিত থাকে।

০০০০

হোজাই জিলা আয়ুক্তই লংকাৰ দুই নম্বৰ ৰে'ল গে'টৰ ওপৰত নিৰ্মাণ হৈ থকা উৰণ সেতুখন অহা ৩১ আগষ্টৰ ভিতৰত মুকলি কৰি দিয়া হ'ব বুলি আশ্বাস দিছে। উল্লেখযোগ্য যে বিগত ৭-৮ বছৰ ধৰি লংকা চহৰলৈ প্ৰৱেশ কৰা মূল পথৰ দুই নম্বৰ ৰে'ল গে'টৰ ওপৰত উৰণ সেতুখন নিৰ্মাণ হৈ আছে। উৰণ সেতুখন লেহেমীয়া গতিত নিৰ্মাণ হৈ থকা পৰিপ্ৰেক্ষিতত স্থানীয় ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। তদুপৰি কিছুদিন পূৰ্বে উৰণ সেতুখন নিৰ্মাণৰ অজুহাতত যাতায়াত সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছিল। ইয়াৰ বিৰুদ্ধে লংকা চহৰলৈ অহা-যোৱা পথ সম্পূৰ্ণৰূপে বন্ধ কৰি কেইবাটাও স্থানীয় দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইয়াৰ পাছতে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, উৰণ সেতুৰ কৰ্তৃপক্ষ, স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ সৈতে বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত অহা ৩১ আগষ্টৰ ভিতৰত উৰণ সেতুখন মুকলি কৰি দিয়া হ'ব বুলি জিলা আয়ুক্তই আশ্বাস প্ৰদান কৰে।

০০০০

হোজাই আৰক্ষীয়ে আজি লংকাত আই পি এল জুৱাৰ সৈতে জড়িত দুজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজন অৰ্জুন পাল আৰু সজল শীল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে লোক দুজনৰ পৰা জুৱা খেলত ব্যৱহৃত কেইবাটাও মোবাইল সহ নগদ ধন জব্দ কৰে। লংকা আৰক্ষী থানাত লোক দুজনক জেৰাৰ অন্তত জেল হাজোতলৈ প্ৰেৰণ কৰা হয় বুলি হোজাই আৰক্ষী অধীক্ষক সৌৰভ গুপ্তাই প্ৰকাশ কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ওদালগুৰি জিলাৰ হৰিচিঙাৰ ২ নম্বৰ ফাচিয়া গাওঁৰ প্ৰবীন নাগৰিক অৱসৰপ্ৰাপ্ত শিক্ষক ধনফুল ডেকাৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত দেহাৱসান ঘটে। অঞ্চলটোৰ বিভিন্ন সামাজিক সংগঠনৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত ডেকাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯৩ বছৰ।

০০০০

সমাপ্ত